# পণ্ডিত দীনদয়াল মহাবিদ্যালয়ত গণিতৰ ব্যৱহাৰ বিষয়ক কৰ্মশালা

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ২৭ এপ্ৰিল ঃ গোৱালপাৰা জিলাৰ আমজোঙাস্থিত পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয়ৰ গণিত বিভাগৰ উদ্যোগত অনুষ্ঠিত হোৱা 'দৈনন্দিন জীৱনত মৌলিক গণিতৰ ব্যৱহাৰ' শীৰ্ষক কৰ্মশালাখনৰ আজি সামৰণি পৰে। পাঁচ এপ্ৰিলত শুভাৰম্ভ হোৱা এই কৰ্মশালা মুঠতে ৩০ ঘণ্টীয়া আছিল। মহাবিদ্যালয়খনৰ সভাকক্ষত আজি অনুষ্ঠিত সামৰণী অনুষ্ঠানৰ আঁত ধৰে মহাবিদ্যালয়খনৰ গণিত বিভাগৰ সহকাৰী অধ্যাপক ড° প্ৰণৱজ্যোতি দুৱৰাই। গণিত বিভাগৰ মুৰব্বী অধ্যাপক ড° ছহিদুল ইছলাম খানে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে অধ্যক্ষ ড° নৱজ্যোতি শৰ্মাই। কৰ্মশালাত অংশগ্ৰহণ কৰা বিভিন্ন বিভাগৰ ছাত্ৰ-ছাত্ৰীসকলক প্ৰমাণপত্ৰ বিতৰণ কৰা হয়। মহাবিদ্যালয়খনৰ উপাধ্যক্ষ ড° হৰিপ্ৰসাদ গৌতম আৰু আভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সমন্বয়ক ড° সুদীপ্তা ফুকনৰ লগতে বিভিন্ন বিভাগৰ শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থকা সামৰণী অনুষ্ঠানত শলাগৰ শৰাই আগবঢ়ায় সহকাৰী অধ্যাপক ৰাজেশ দাসে।